**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-01-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমৰ পৰা ভিডিঅ’ কনফাৰেঞ্চিং ব্যৱস্থাৰে ২ লাখ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ একাংশ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। অসমৰ ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ ভিতৰত এজনৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে।

৩। কালি পুৱা তিব্বতৰ টিংৰি অঞ্চলত অনুভূত ৭ দশমিক ১ প্ৰাবল্যৰ বিধ্বংসী ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১২৮ লৈ বৃদ্ধি পাইছে।

৪। ওড়িশাৰ ৰাজধানী ভূবনেশ্বৰত আজি প্ৰবাসী ভাৰতীয় দিৱসৰ  অষ্টাদশ অভিৱৰ্তন আৰম্ভ হৈছে।

আৰু

৫। ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তনিশা কষ্ট্ৰ’ৰ মালয়েছিয়া অ’পেন বেডমিণ্টন প্ৰতিযোগিতাত মিক্সড্ ডাবল্‌ছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমৰ পৰা ভিডিঅ’ কনফাৰেঞ্চিং ব্যৱস্থাৰে ২ লাখ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ একাংশ প্ৰকল্পৰ উদ্বোধন আধাৰশিলা স্থাপন কৰিব। তেওঁ বিশাখাপট্টনমৰ সমীপৰ পোডিমাকাট অত্যাধুনিক এন টি পি চি গ্ৰীন এনাৰ্জি লিমিটেডৰ সেউজ হাইড্ৰজেন কেন্দ্ৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এইটো ৰাষ্ট্ৰীয় সেউজ হাইড্ৰজেন অভিযানৰ অধীনত স্থাপন কৰা প্ৰথমটো সেউজ হাইড্ৰ’জেন কেন্দ্ৰ হ’ব। এই প্ৰকল্পই ২০৩০ চনৰ ভিতৰত ৫০০ গিগা ৱাট অনা জীৱাশ্ম শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ১৯ হাজাৰ ৫০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ বিভিন্ন ৰে’ল আৰু পথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত বিশাখাপট্টনমত দক্ষিণ উপকূলীয় ৰে’লৱেৰ মুখ্য কাৰ্যালয়ৰ আধাৰশিলা স্থাপন অন্যতম। এই প্ৰকল্পসমূহে যান-জঁট হ্ৰাস কৰাৰ লগতে যোগাযোগ উন্নত কৰিব আৰু অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশ ত্বৰান্বিত কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে আনকাপল্লী জিলাৰ নক্কাপল্লীত অত্যাৱশ্যকীয় ঔষধ প্ৰস্তুতকৰণ উদ্যানৰ আধাৰশিলাও স্থাপন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি জিলাৰ চেন্নাই-বেংগালুৰু ঔদ্যোগিক কৰিডৰৰ অন্তৰ্গত কৃষ্ণপট্টনম ঔদ্যোগিক এলেকাৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই নিৰ্মাণ খণ্ডত প্ৰায় ১০ হাজাৰ ৫০০ কোটি টকাৰ বিনিয়োগ আকৰ্ষিত কৰাৰ লগতে প্ৰায় ১ লাখ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপন সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

অসমৰ ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ ভিতৰত এজনৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। মৃত শ্ৰমিকজন নেপালৰ উদয়পুৰ জিলাৰ গংগা বাহাদুৰ শ্ৰেষ্ঠ বুলি চিনাক্ত কৰা হৈছে। নৌসেনাৰ ২১ জন ডুবাৰু, সেনাবাহিনী, এছ ডি আৰ এফ, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীয়ে বাকীকেইজন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰতিকুল বতৰকো নেওচি অভিযান অব্যাহত ৰাখিছে। নৌসেনাই আবদ্ধ শ্ৰমিক কেইজনৰ সন্ধেদ উলিয়াবৰ বাবে পানীৰ তলত চলাচল কৰা দূৰ সংবেদী ব্যৱস্থাচালিত বিশেষ বাহন ব্যৱহাৰ কৰিছে।

কালিৰে পৰা ক’ল ইণ্ডিয়াৰ এটা দলেও উদ্ধাৰ অভিযানত সহযোগ কৰি আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতে বৈঠকত মিলিত হোৱাৰ পাছত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কয়লাখনিটোত ১০০ ফুট পৰ্যন্ত পানী সোমাইছে আৰু নৌসেনাই পানীৰ মাজতে উদ্ধাৰ অভিযান চলাইও সফল হোৱা নাই। সেয়েহে খনিলৈ যোৱা এন্দুৰৰ গাঁত সদৃশ পথবোৰত আজি অভিযান চলোৱা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে। অবৈধভাৱে কয়লা খননৰ বিষয়টো চোৰা-চিতা কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। খনিটোৰ পৰা পানী উলিওৱাৰ বাবে কেইবাটাও পাম্প ব্যৱহাৰ কৰা হৈছে।

০০০০

কালি পুৱা তীববতৰ টিংৰি অঞ্চলত অনুভূত ৭ দশমিক ১ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১২৮ লৈ বৃদ্ধি পাইছে। এভাৰেষ্ট শৃংগৰ পৰা ৭৫ কিলোমিটাৰ উত্তৰত অভিকেন্দ্ৰ থকা এই ভূমিকম্পটোত তীববত আৰু নেপালত প্ৰায় ২০০ লোক আহত হয়। চুবুৰীয়া দেশ নেপালত অৱশ্যে এই ভূমিকম্পত কোনো লোকৰ প্ৰাণহানি হোৱা নাই বুলি সেই দেশৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। চীনৰ চৰকাৰী বাতৰি সংস্থা ঝিনহুৱাৰ বাতৰি অনুসৰি অভিকেন্দ্ৰৰ পৰা ২০ কিলোমিটাৰ ব্যাসাৰ্ধত থকা তিনিখন চহৰ আৰু ২৭ খন গাঁৱত ব্যাপক ধ্বংসলীলাৰ সৃষ্টি হয় আৰু এহেজাৰৰো অধিক বাসগৃহ ধ্বংসস্তুপত পৰিণত হয়। চীনৰ চৰকাৰী টেলিভিছন চেনেল চি চি টি ভিৰ বাতৰি অনুসৰি উদ্ধাৰ অভিযানত পিপলছ্‌ লিবাৰেচন আৰ্মী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ কেইবাহাজাৰো লোক নিয়োজিত হৈছে। ভাৰত চৰকাৰে  তীববতৰ এই ভূমিকম্পত শতাধিক লোকৰ প্ৰাণহানিত শোক প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই কালি সামাজিক মাধ্যম এক্সত কয়, যে এই তীববতৰ এই সংহাৰী ভূমিকম্পত প্ৰাণ হেৰুওৱাসকলৰ বাবে ভাৰত চৰকাৰ দুঃখিত। ভাৰতীয় আৰু ইউৰেছিয় প্লেটৰ ঘৰ্ষণৰ ফলত সৃষ্টি হোৱা এই ভূমিকম্পই চীনে সেই দেশত য়াৰলাং ছাংপু নামে পৰিচিত ব্ৰহ্মপুত্ৰ নদৰ ওপৰত নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ কৰা পৃথিৱীৰ বৃহত্তম নদীবান্ধে সৃষ্টি কৰিবলগীয়া ভাবুকি সম্পৰ্কত বিশেষজ্ঞসকলৰ উদ্বিগ্নতা বৃদ্ধি কৰিছে।

০০০০০০০

ওড়িশাৰ ৰাজধানী ভূৱনেশ্বৰত আজি প্ৰবাসী ভাৰতীয় দিৱসৰ  অষ্টাদশ অভিৱৰ্তন আৰম্ভ হৈছে। ৭৫ খন দেশৰ ছহেজাৰৰো অধিক প্ৰবাসী ভাৰতীয়ই এই অভিৱৰ্তনত অংশগ্ৰহণ কৰিছে। ওড়িশা চৰকাৰে অভিৱৰ্তনত ভাগ লোৱা প্ৰতিনিধিবৰ্গৰ সন্মুখত ৰাজ্যখনৰ চহকী সংস্কৃতি আৰু ঐতিহ্য প্ৰদৰ্শন কৰাৰ চেষ্টা কৰিব। ওড়িশা চৰকাৰে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সৈতে যুটীয়াভাৱে আয়োজন কৰা যুৱ ভাৰতীয় প্ৰবাসী দিৱসৰ অনুষ্ঠানেৰে এই অভিৱৰ্তন আৰম্ভ হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ, বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, কেন্দ্ৰীয় মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়া, ৰক্ষা নিখিল খড়ছে আৰু ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে

আজি যুৱ প্ৰবাসী ভাৰতীয় দিৱসৰ অনুষ্ঠানত অংশ লয়। এই অভিৱৰ্তন বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা ভাৰতীয়সকলৰ সৈতে দেশৰ সম্পৰ্ক উদযাপনৰ এটা গুৰুত্বপূৰ্ণ উপলক্ষ্য। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আনুষ্ঠানিকভাৱে প্ৰবাসী ভাৰতীয় দিৱসৰ অভিৱৰ্তন মুকলি কৰিব। অভিৱৰ্তনত দেশৰ বিকাশ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দেশৰ ভাৱমূৰ্তি গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰবাসী ভাৰতীয়সকলৰ অৱদানত আলোকপাত কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হ'ব। ত্ৰিনিদাদ আৰু ট'বাগোৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টিন কাৰ্লা কাংগলুৱে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে মুখ্য অতিথি হিচাপে অভিৱৰ্তনত ভাগ ল'ব। ৰাষ্ট্ৰপতি  শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ অধিৱেশনৰ সামৰণি অনুষ্ঠানত পৌৰহিত্য কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ স্বীকৃতি স্বৰূপে বিদেশত বাস কৰা একাংশ ভাৰতীয় নাগৰিকক প্ৰবাসী ভাৰতীয় সন্মানেৰে বিভূষিত কৰিব।

০০০০০০০০০

ভাৰত এখন আধুনিক, সৰ্বাত্মক আৰু প্ৰগতিশীল সমাজ গঢ়াৰ পুৰণি প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে বুলি  বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিশ্বত সৰ্ববৃহৎ দেশখনে গণতান্ত্ৰিক পৰিকাঠামোৰে বিকাশ লাভ কৰাৰ বাবে আমাৰ এই যাত্ৰা অনন্য হৈ উঠিছে। প্ৰধানমন্ত্ৰীয়ে কোৱাৰ দৰে প্ৰযুক্তি আৰু পৰম্পৰাৰ দুভৰিৰে আগবঢ়াই এই যাত্ৰাৰ মূল মন্ত্ৰ বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয়, যে এই যাত্ৰা আৰু দেশৰ লক্ষ্যসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই নিশ্চিতভাৱে নিৰ্ণায়ক ভূমিকা পালন কৰিব পাৰে। ওড়িশাৰ ভূবনেশ্বৰত আয়োজিত যুৱ প্ৰবাসী ভাৰতীয় দিৱসৰ অভিৱৰ্তনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে অমৃতকাল অৰ্থাৎ স্বাধীনতা লাভৰ ৭৫ বছৰৰ পৰা শতবৰ্ষৰ সময়ছোৱাত উন্নত ভাৰতৰ দিশে যাত্ৰা আৰম্ভহে কৰিছে। এই যাত্ৰা ভৱিষ্যত প্ৰজন্মৰ যাত্ৰা বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে এই সময়ছোৱাত যুৱক-যুৱতীসকল সমাজৰ অগ্ৰণী হৈ পৰিব আৰু ৰাষ্ট্ৰক নেতৃত্ব দিব।

০০০০০০০০০

নতুন দিল্লীত আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰী মহম্মদ ঘছান মৌমুনৰ মাজত এখন দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়।বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে প্ৰশিক্ষণ, নিয়মীয়া সামৰিক অনুশীলন, প্ৰতিৰক্ষা প্ৰকল্পকে ধৰি দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে।তিনিদিনীয়া ভাৰত ভ্ৰমণৰ সময়ছোৱাত মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে গোৱা আৰু মুম্বাইও ভ্ৰমণ কৰিব।উল্লেখযোগ্য যে ভাৰত আৰু মালদ্বীপৰ মাজত আধ্যাত্মিক, ঐতিহাসিক, ভাষিক আৰু জনগোষ্ঠীয় দিশত শক্তিশালী সম্পৰ্ক আছে। ভাৰত মহাসাগৰীয় অঞ্চলত সুস্থিৰতা আৰু সমৃদ্ধি নিশ্চিত কৰাৰ লক্ষ্যৰে ভাৰতৰ 'প্ৰতিবেশী প্ৰথম' নীতিত মালদ্বীপে বিশেষ স্থান দখল কৰিছে। দুয়োখন ৰাষ্ট্ৰই ভাৰত মহাসাগৰীয় অঞ্চলৰ সুৰক্ষা আৰু নিৰাপত্তা বৰ্তাই ৰখাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছে আৰু ইয়াৰ ফলত ভাৰতে এই অঞ্চলটোৰ সকলো ৰাষ্ট্ৰৰ নিৰাপত্তা আৰু বিকাশ বৃদ্ধিৰ লক্ষ্য পূৰণত অৰিহণা যোগাইছে।

০০০০০০০০০

কোৱালালামপুৰত আজি পুৱা অনুষ্ঠিত মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তানিশা কাষ্ট্ৰ'ৰে মিক্সড্ ডাবলছ্ৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথম ৰাউণ্ডৰ এই যুটিটোৱে দক্ষিণ কোৰিয়াৰ চুংগ হু ক' আৰু হয়ে অ'ন ইয়ুমক ২১-১৩, ২১-১৪ ৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতীয় যুটিটোৱে কাইলৈ ১৬ ৰাউণ্ডত চীনৰ চি ঝাং আৰু ঝি চেঙৰ বিৰুদ্ধে খেলিব। আনটো ভাৰতীয় যুটি আধ্যা বৰিয়াথ

আৰু সতীশ কৰুণাকৰণেও মিক্সড ডাবল্‌ছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁলোকে আজি পুৱা অনুষ্ঠিত ১৬ ৰাউণ্ডত অমৃতা প্ৰমুথেশ আৰু আছিথ সূৰ্যক ২১-১৩, ২১-১৫ৰ ব্যৱধানত পৰাজিত কৰে। মহিলাৰ ডাবল্‌ছত ভাৰতৰ ৰিতুপৰ্ণা পাণ্ডা আৰু স্বেতাপৰ্ণা পাণ্ডাই টুৰ্ণামেণ্টৰ পৰা বাহিৰ হৈছে।

০০০০০০০০০

সমাপ্ত